**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::::***

১। লোকসভাই কৰ আৰোপন সংশোধনী বিধেয়ক ২০২৫ আৰু সংশোধিত আয়কৰ বিধেয়ক ২০২৫ মৌখিক ভোটত গৃহীত কৰে।

২। ৰাজ্যসভাই মণিপুৰৰ ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট আৰু বিনিয়োজন বিধেয়কৰ লগতে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক ২০২৫ ত অনুমোদন জনায়।

৩। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ৩৫ লাখৰো অধিক কৃষকলৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ৩ হাজাৰ ৯০০ কোটি টকা হস্তান্তৰ কৰা হয়।

৪। পুণেৰ খেড় তালুকা জিলাত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ গৰাকী মহিলা তীৰ্থযাত্ৰীৰ মৃত্যু হয়।

*আৰু*

৫। চীনৰ ছেংদুত অনুষ্ঠিত বিশ্ব গেমছ ২০২৫ ত ভাৰতৰ মহিলা উশ্বু খেলুৱৈ নম্ৰতা বাট্ৰাই ৫২ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী আৰু অন্যান্য বিষয় লৈ বিৰোধী পক্ষই প্ৰতিবাদৰ বাবে আজিও লোকসভা দিনটোৰ বাবে স্থগিত ৰখা হয়। আজি দিনৰ এঘাৰ বজাত সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ ১৪ মিনিটৰ ভিতৰতে সদন প্ৰথমবাৰৰ বাবে স্থগিত ৰখা হয়। পাছত দুপৰীয়া ২ বজাত সদন পুনৰ মিলিত হয় আৰু তেতিয়াই অধ্যক্ষই ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰশাসন বিধেয়ক ২০২৫ আৰু ৰাষ্ট্ৰীয় এণ্টিডপিং সংশোধনী বিধেয়ক ২০২৫ ৰ সন্দৰ্ভত আলোচনা আৰম্ভ কৰে। অৱশ্যে বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থুলীয়া প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষৰ আসনত থকা সদস্যগৰাকীয়ে সদন ৪ বজালৈ স্থগিত ৰাখে। ৪ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়তো একে পৰিস্থিতি বিৰাজ কৰাত অধ্যক্ষই দিনটোৰ বাবে সদন স্থগিত ৰাখে।

ইয়াৰ মাজতে আজি লোকসভাই কৰ আৰোপন সংশোধনী বিধেয়ক ২০২৫ আৰু সংশোধিত আয়কৰ বিধেয়ক ২০২৫ মৌখিক ভোটত গৃহীত কৰে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী আৰু অন্যান্য বিষয় লৈ সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ মাজতে বিধেয়ককেইখন সদনত উত্থাপন কৰে। আয়কৰ বিধেয়ক ২০২৫ ৰ মূল উদ্দেশ্য হৈছে আয়কৰ সম্পৰ্কীয় আইনখন একত্ৰিত আৰু সংশোধন কৰা। আনহাতে, কৰ আইন সংশোধনী বিধেয়ক ২০২৫ য়ে আয়কৰ আইন ১৯৬১ আৰু বিত্ত আইন ২০২৫ সংশোধন কৰিব।

শাসক আৰু বিৰোধী পক্ষৰ মাজত হোৱা উত্তপ্ত  বাক বিতণ্ডাৰ বাবে ৰাজ্যসভাও আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ মাজতে আজি ৰাজ্যসভাই  মণিপুৰৰ ২০২৫-২৬ বৰ্ষৰ সাধাৰণ বাজেট আৰু বিনিয়োজন বিধেয়কৰ লগতে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক ২০২৫ ত অনুমোদন জনায়। ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গে আজি বিৰোধী সাংসদসকলে সংসদৰ পৰা নিৰ্বাচন আয়োগৰ কাৰ্যালয়লৈ শোভাযাত্ৰা উলিওৱা ক্ষেত্ৰত বাধা প্ৰদান কৰাৰ বিষয়টো উচ্চ সদনত উত্থাপন কৰে। সংবাদ সংস্থাৰ বাতৰি অনুসৰি আজি আগবেলা এই শোভাযাত্ৰা উলিওৱাৰ সময়ত আৰক্ষীয়ে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, সাংসদ প্ৰিয়ংকা গান্ধী, কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু জয়ৰাম ৰমেশকে ধৰি ভালেসংখ্যক সাংসদক আটক কৰি সংসদ মাৰ্গ আৰক্ষী থানালৈ লৈ যায়। অৱশ্যে তেওঁলোকক পাছত মুকলি কৰি দিয়া হয়।

০০০০

প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্য বীমা দাবীৰ ধন পৰিশোধ হিচাপে দেশৰ ৩৫ লাখৰো অধিক কৃষকলৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে ৩ হাজাৰ ৯০০ কোটি টকা হস্তান্তৰ কৰা হয়। ইয়াৰ ভিতৰত ৰাজস্থানৰ ৯ লাখ ৭০ হাজাৰ কৃষকলৈ এহেজাৰ ৪০০ কোটি টকা হস্তান্তৰ কৰা হয়। ৰাজস্থানৰ ঝুনঝুনত আজি অনুষ্ঠিত এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে এইদৰে কয়। এই অনুষ্ঠানত ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা, কেন্দ্ৰীয় কৃষি ৰাজ্যমন্ত্ৰী ভগীৰথ চৌধুৰীও উপস্থিত আছিল। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় কৃষি মন্ত্ৰী শ্ৰীচৌহানে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে শস্য বীমা আঁচনিৰ ব্যাপক সংস্কাৰ সাধন কৰিছে, যাৰ ফলত এতিয়া এখন গাঁৱত শস্যৰ ক্ষতিসাধন হ'লে কৃষকে বীমাৰ ধন লাভ কৰে। তেওঁ কয়, যে ২০১৬ চনৰ পৰা বৰ্তমানলৈ দেশৰ কৃষকসকলে শস্য বীমাৰ ৰূপত ২ লাখ ১২ হাজাৰ কোটি টকাৰো অধিক ধন লাভ কৰিছে। শ্ৰীচৌহানে কয়, যে কেন্দ্ৰীয় চৰকাৰে কৃষকসকলক তেওঁলোকৰ আয় বৃদ্ধি কৰি সমৃদ্ধিশালী কৰাৰ বাবে অবিৰতভাৱে সিদ্ধান্ত গ্ৰহণ কৰি আছে। অবৈধভাৱে সাৰ আৰু বীজ বিক্ৰী কৰাসকলক সকিয়াই দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰতাৰক কৃষকসকলক ৰেহাই দিয়া নহ'ব।  এনে লোকসকলৰ  বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে শীঘ্ৰে নতুন আইন প্ৰনয়নৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই কৃষকসকলক বৈজ্ঞানিক কৃষি পদ্ধতি অৱলম্বন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মাটি পৰীক্ষা কৰাৰ পাছতহে প্ৰয়োজন অনুযায়ী সাৰ প্ৰয়োগ কৰিব লাগে। এই অনুষ্ঠানত ৰাজস্থানৰ ঝুনঝুন, ছিকাৰ, জয়পুৰ, কাথপুতলি, বেহ্ৰু আৰু অন্যান্য জিলাৰ কৃষকসকলে অংশগ্ৰহণ কৰাৰ লগতে দেশৰ বিভিন্ন ৰাজ্যত বহুসংখ্যক কৃষকে ভাৰ্চুৱেল মাধ্যমেৰে সংযুক্ত হয়। উল্লেখযোগ্য যে মধ্য প্ৰদেশৰ কৃষকসকললৈ এহেজাৰ ১৫৬ কোটি টকা ৰাজস্থানৰ কৃষকসকললৈ এহেজাৰ ১২১ কোটি, চত্তিশগড়ৰ কৃষকসকললৈ ১৫০ কোটি আৰু অন্যান্য ৰাজ্যৰ কৃষকসকললৈ ৭৭৩ কোটি টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰা হ'ব।

০০০০

গোৱা বিধানসভা সমষ্টিত অনুসূচীত জনজাতিৰ পুনৰ সামঞ্জস্য বিধেয়ক ২০২৫ ৰাজ্যসভাই অনুমোদন জনোৱাৰ লগে লগে সংসদে আজি গৃহীত কৰে। লোকসভাই যোৱা সপ্তাহতে এই বিধেয়কখন গৃহীত কৰিছিল। এই বিধেয়কখনৰ উদ্দেশ্য হৈছে অনুসূচীত জনজাতিৰ সদস্যসকলক ফলপ্ৰসূ গণতান্ত্ৰিক অংশগ্ৰহণৰ বাবে আসন সংৰক্ষণ কৰা আৰু গোৱা বিধানসভাৰ আসন পুনৰ সামঞ্জস্যৰ ব্যৱস্থা কৰা।

এই সম্পৰ্কে হোৱা আলোচনাৰ উত্তৰ দি কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কয়, যে অনুসূচীত জনজাতিৰ সংখ্যা ২০০১ চনত ৫৬৬ ৰ পৰা বৃদ্ধি হৈ এতিয়া প্ৰায় ১ লাখ ৪৯ হাজাৰৰো অধিক হৈছে। তেওঁ কয়, যে পূৰ্বে কেৱল অনুসূচীত জাতিৰ বাবেহে সংৰক্ষণৰ ব্যৱস্থা আছিল। কিন্তু অনুসূচীত জনজাতিৰ সংখ্যা বৃদ্ধিৰ লগে লগে তেওঁলোকৰ বাবেও আসন সংৰক্ষণৰ ব্যৱস্থা আৱশ্যকীয় হৈ পৰিছে। তেওঁ কয় যে মুঠ ৪০ খন আসনৰ ভিতৰত কেৱল এখন আসনহে অনুসূচীত জাতিৰ বাবে সংৰক্ষিত আৰু বিধানসভাত আদিবাসী সদস্যৰ বাবে কোনো সংৰক্ষণৰ ব্যৱস্থা নাছিল। শ্ৰীমেঘৱালে কয়, যে গোৱা বিধানসভাত আদিবাসীসকলক সংৰক্ষণৰ দিয়াৰ উদ্দেশ্যে এই বিধেয়কখন উত্থাপন কৰা হৈছিল। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ মূল মন্ত্ৰ সবকা সাথ সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াসৰ সৈতে কেন্দ্ৰীভূত। ইয়াৰ পূৰ্বে আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ সদানন্দ মাহলু ছেট তানাৱাড়ে কয়, যে এই বিধেয়কখনৰ জৰিয়তে জনজাতীয় সমাজে বিধানসভাত প্ৰতিনিধিত্ব লাভ কৰিব।

০০০০

পুণেৰ খেড় তালুকা জিলাত আজি এখন ৪ চকীয়া বাহন এশ ফুট গভীৰ খাদত পৰি যোৱাৰ ফলত ৭ গৰাকী মহিলাৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে আন ৩১ গৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হয়। এই যাত্ৰীসকল পবিত্ৰ শাওণ মাহ উপলক্ষে কুন্দেশ্বৰ মন্দিৰলৈ গৈ আছিল। আহতসকলক এখন ব্যক্তিগত চিকিৎসালয় আৰু চান্দলি গ্ৰাম্য হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত এই দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা এই দুৰ্ঘটনাত নিহতসকলৰ নিকটতম আত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথাও ঘোষণা কৰে।

০০০০

চীনৰ ছেংদুত অনুষ্ঠিত বিশ্ব গেমছ ২০২৫ ত ভাৰতৰ মহিলা উশ্বু খেলুৱৈ নম্ৰতা বাট্ৰাই ৫২ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰবেশ কৰি ইতিহাস ৰচনা কৰিছে। নম্ৰতাই ফিলিপিনছৰ ক্ৰিজান ফেইথ কোল্লাদ'ক ২-০ ফলাফলত পৰাস্ত কৰি বিশ্ব গেমছৰ উশ্বুত ভাৰতৰ বাবে পোনপ্ৰথমটো পদক নিশ্চিত কৰে। এই জয়ৰ লগে লগে নম্ৰতাই ৰূপৰ পদক লাভ কৰাটো খাটাং হ'ল আৰু কাইলৈ অনুষ্ঠিত হ'বলগীয়া ফাইনেলত নম্ৰতাই সোণৰ পদকৰ বাবে প্ৰতিদ্বন্দিতা কৰিব। ফাইনেলত ভাৰতীয় খেলুৱৈগৰাকীয়ে চীনৰ মেংগুৱি চেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পূৰ্বে ভাৰতৰ ঋষভ যাদৱে পুৰুষৰ আৰ্ছ্যৰীত ব্ৰঞ্জৰ পদক লাভ কৰি ব্যক্তিগত শিতানত দেশৰ হৈ প্ৰথমটো পদক অৰ্জন কৰিবলৈ সক্ষম হয়।

০০০০

ভাৰতীয় গ'ল্ফ সন্থাই ইন্দোনেছিয়া গ'ল্ফ এছোছিয়েছনৰ সহযোগত এছিয়া পেছিফিক গ'ল্ফ কনফেডাৰেশ্বনে আয়োজন কৰা প্ৰথমখন মিড-এমেচাৰ ছেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাৰ বাবে ভাৰতৰ চাৰিজনীয়া দলটো প্ৰেৰণ কৰিছে। বৰ্তমানৰ আই জি ইউ মিড এমেচাৰ ছেম্পিয়ন ৰণজিৎ সিঙৰ নেতৃত্বত অৰ্জুন সিং, চিমৰজিৎ সিং আৰু কৰ্ণেল বৰুণ পাৰমাৰেৰ দ্বাৰা গঠিত ভাৰতীয় দলটোৱে কাইলৈৰ পৰা গোল্ডিং ৰায়া গ'ল্ফ ক্লাৱত আৰম্ভ

হ'বলগীয়া এই সন্মানীয় ছেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰিব। এই প্ৰতিযোগিতাত ২০ খন দেশৰ মুঠ ৮০ গৰাকী গ'ল্ফাৰে অংশগ্ৰহণ কৰিছে।

০০০০

**সমাপ্ত**